অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date* :

**All Assam Jatiya Bidyalay Samaroh.**
**A Historic Moment at Noonmati Refinery Field.**

**Guwahati, 26 December, 2018 :** Altogether 300 Jatiya Bidyalays across all over Assam assembled today at Noonmati Refinery Field to celebrate the glorious 25 years of Assam Jatiya Bidyalay which was established on 1 January, 1994 with a motto of 'Work is our worship'. This movement today reached a culminating point when 300 schools from 25 districts of Assam assembled today for a cultural assimilation with a variety of programmes representing ethnic identity from the nook and cranny of Assam. After lighting the Diya at 'Shwahid Bedi' by the Rector Ranjit Narayan Deka, the programme began at 9.30 am with the flag hoisting of all the Jatiya Bidyalays by President Dilip Kumar Dutta Choudhury and the other dignitaries from the district committees. Then around 4000 crowd present there rendered their voice to the theme song of Jatiya Bidyalay 'Alok Sandhani Aashar Aaloy'. In his welcome speech, the secretary of the management committee Dr. Narayan Sharma asked all the people of Assam to come forward to launch a united movement for enriching our own state in the fields of language, literature and culture. He also expressed his gratitude to all the dignitaries from across Assam for participating in this event and for making this into a grand occasion. Then there was a long demonstration of cultural programme representing the heritage and ethnic identity of each districts of Assam. After the lunch break, the second session began with a 'Borgeet' of Mahapurush Madhabdev performed by 25 students of Assam Jatiya Bidyalay, Noonmati. The Rector of the school Ranjit Narayan Deka presided over the open session and the chief guests of this main event of Silver Jubilee programme included Dr. Mridul Hazarika, Vice Chancellor of Gauhati University, Dr. Kamal Malla Buzar Baruah, the Vice Chancellor of Assam Agricultural University, Jorhat, Professor Bhabesh Ch. Goswami, the Vice Chancellor of Cotton State University, Mr. Jogen Barpujari, the Executive Director of Oil India, Gauhati Refinery, Dr. Samujjal Kumar Bhattacharya, Chief Adviser of AASU and Palash Kumar Sangmai, the secretary of all Assam Jatiyatabadi Juba Chatra Parishad etc.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

## ঐতিহাসিক মুহুৰ্তৰ সাক্ষী হ'ল নুনমাটি তেল শোধনাগাৰ খেলপথাৰ সদৌ অসম জাতীয় বিদ্যালয় সমাৰোহত ৰাজ্যৰ প্ৰায় ৩০০খন বিদ্যালয়ৰ অংশগ্ৰহণ

নুনমাটি, গুৱাহাটী, ২৬ নৱেম্বৰ, ২০১৮ : ১৯৯৪ চনৰ ১ জানুৱাৰিত প্ৰতিষ্ঠা লাভ কৰা 'কৰ্ম মোৰ সংস্কৃতি' আদৰ্শৰে পৰিপুষ্ট অসম জাতীয় বিদ্যালয়ে বিগত ২৫ বছৰে মাতৃভাষাৰ মাধ্যমত বিজ্ঞান সন্মত পদ্ধতিৰে অসমীয়া সমাজ আৰু সংস্কৃতিলৈ শিক্ষাৰ জৰিয়তে অৱদান আগবঢ়াই সমগ্ৰ অসমত যে এক নীৰৱ আন্দোলন গঢ়ি তুলিছে তাৰ সাক্ষী আজি অনুষ্ঠিত হোৱা সদৌ অসম জাতীয় বিদ্যালয় সমাৰোহ। এই সমাৰোহত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চুকে-কোণে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ নীতি-নিৰ্দেশনাত গঢ়ি উঠা ২৫খন জিলাৰ প্ৰায় ৩০০খন বিদ্যালয়ে অংশগ্ৰহণ কৰি নিজস্ব কলা-কৃষ্টিৰ প্ৰদৰ্শন কৰে। অসম জাতীয় বিদ্যালয়েও এই সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই সমাৰোহ অনুষ্ঠিত কৰা হয় নুনমাটিস্থিত গুৱাহাটী তেল শোধনাগাৰ খেলপথাৰত। পুৱা ৯.৩০ বজাত অসমৰ শ্বহীদসকলক সোঁৱৰণ কৰি শ্বহীদ বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ অধ্যক্ষ শ্ৰীযুত ৰঞ্জিত নাৰায়ণ ডেকাই। ইয়াৰ পিছতে অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ কেন্দ্ৰীয় পতাকা উত্তোলন কৰে অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ উপ-সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে। লগে লগে অসমৰ বিভিন্ন জিলাৰ সমন্বয়ৰক্ষীৰ ১৬খন পতাকা একে সময়তে সংশ্লিষ্ট সমিতিৰ সভাপতি/সম্পাদকে উত্তোলন কৰাৰ পিছতে প্ৰায় চাৰি হাজাৰৰো (৪,০০০) অধিক সমৱেত লোকে সমস্বৰে 'আলোক সন্ধানী আশাৰ আলয়/আমাৰ জাতীয় বিদ্যালয়' শীৰ্ষক বিদ্যালয় সংগীত পৰিৱেশন কৰি পৰিৱেশটো জীপাল কৰি তোলে। অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰি কয় যে, ভাষা, সংস্কৃতি, সাহিত্য সকলো দিশতে আমাৰ ৰাজ্যখন সমৃদ্ধ কৰিবলৈ আমি সকলোৱে হাতে হাত ধৰি আগুৱাই যাবলৈ সংকল্পবদ্ধ হোৱাটোৱেই এই সমাৰোহৰ উদ্দেশ্য। অসমৰ সকলো ঠাইৰ প্ৰতিনিধিসকলে ব্যাপক হাৰত এই সমাৰোহত অংশগ্ৰহণ কৰাত তেওঁ অতিশয় আনন্দিত হোৱাৰ লগতে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকাই অসমৰ ভাষা-সংস্কৃতিৰ উন্নয়নত অসম জাতীয় বিদ্যালয়ৰ পদক্ষেপক শলাগ লোৱাৰ লগতে সমাৰোহত অংশগ্ৰহণ কৰা অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ অন্তৰ্গত জাতীয় বিদ্যালয়সমূহক কৃতজ্ঞতা জনায়। অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তী বৰ্ষৰ এক বিশেষ অনুষ্ঠান 'সদৌ অসম জাতীয় বিদ্যালয় সমাৰোহ'ৰ ঐতিহাসিক মুহূৰ্ত বিয়লি ৩ বজাত অনুষ্ঠিত হোৱা মুকলি সভা। ২৫ গৰাকী শিক্ষাৰ্থীৰ দ্বাৰা পৰিৱেশিত মহাপুৰুষ মাধৱদেৱৰ বিৰচিত এটি বৰগীতেৰে সভাৰ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। সভাত সভাপতিৰ আসন অলংকৃত কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধ্যক্ষ তথা অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ শ্ৰীযুত ৰঞ্জিত নাৰায়ণ ডেকাই। সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱা, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামী, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক শ্ৰীযুত যোগেন বৰপূজাৰী, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক শ্ৰীযুত পলাশ কুমাৰ চাংমাই। আটাইকেইগৰাকী সন্মানীয় অতিথিয়ে অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনত অসম জাতীয় বিদ্যালয়ে আগবঢ়োৱা অৱিহণাক শলাগ লয় আৰু এইক্ষেত্ৰত তেওঁলোকৰ সদিচ্ছা প্ৰকাশ কৰে। অসম জাতীয় বিদ্যালয় এক আন্দোলন, এক নীৰৱ আন্দোলন, এই আন্দোলনৰ প্ৰচাৰ আৰু প্ৰসাৰত সকলোকে উদ্যোগ ল'বলৈ সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সকলোকে আহ্বান জনায়। অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ ধ্ৰুৱ শৰ্মাই উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়োৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰে। পুৱা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই আৰু বিয়লি অনুষ্ঠিত মুকলি সভাৰ আঁত ধৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০